**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

---

শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত ৩৪ হাজাৰ ৭১১ গৰাকী মহিলাক চেক বিতৰণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মহিলাসকল স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিছে বুলি মন্তব্য কৰে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰত ২ কোটি ২৪ লাখ টকা ব্যয়সাপেক্ষ নৱনিৰ্মিত নাট্য মন্দিৰ উদ্বোধন কৰে। এই নাট্য মন্দিৰে অঞ্চলটোৰ সাংস্কৃতিক পৰিমণ্ডল সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মতপ্ৰকাশ কৰে। ড° শৰ্মাই কালি বিয়লি চৰাইদেউ জিলাৰ সোণাৰি খেলপথাৰত আত্মসহায়ক গোটৰ সদস্যসকলক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত সোণাৰী সমষ্টিৰ ২৮ হাজাৰ ২৯৬ গৰাকী মহিলাক চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ সামগ্ৰিক বিকাশৰ বাবে ৯৯ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰদান প্ৰক্ৰিয়াৰ ওপৰত মন্তব্য কৰে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি সংসদত অসমৰ সাংস্কৃতিক ঐতিহ্য, ভাষা আৰু জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষাৰ বিষয়ত দৃঢ়ভাৱে মত প্ৰকাশ কৰে। তেওঁ অসমৰ উন্নয়নৰ শেহতীয়া ছবিখন সদনত অৱলোকন কৰে। তেওঁ লগতে কংগ্ৰেছ দলৰ দীৰ্ঘদিনীয়া শাসনকালত ৰাজ্যখনৰ প্ৰতি ভূমিকাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰসংগ উল্লেখ কৰি বিজেপি নেতৃত্বাধীন চৰকাৰে বিশ্ববৰেণ্য শিল্পীগৰাকীক ভাৰতৰত্নৰে বিভূষিত কৰাৰ প্ৰসংগও উত্থাপন কৰে।

**বাইট**

০০০০০০

সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ফেব্ৰুৱাৰীত ডিব্ৰুগড় জিলাৰ মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে ই এল এফ, আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত এই অত্যাধুনিক ৰান্‌ৱে নিৰ্মাণ কৰা হৈছে। যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত এই ৰাষ্ট্ৰীয় ঘাইপথ নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। উদ্বোধনীৰ পাছতে মৰাণৰ আকাশত বায়ুসেনাৰ শক্তিশালী যুঁজাৰু বিমানসমূহে উৰণ কৌশল প্ৰদৰ্শন কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব। ৰানৱেৰ দুয়োফালে শক্তিশালী সুৰক্ষাৰ বেৰ আধুনিক সামৰিক বিমান নিয়ন্ত্ৰণ স্তম্ভকে ধৰি সকলো অত্যাৱশ্যকীয় সুৰক্ষা ব্যৱস্থা সংযোজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সেই স্থান পৰিদৰ্শন কৰি জিলা প্ৰশাসন, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু বায়ুসেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সামগ্ৰিক পৰ্যালোচনা কৰিছে।

০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন আজি অনুষ্ঠিত হ'ব। চিলাপথাৰত দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া প্ৰথমখন খেলত যোৱাবাৰৰ বিজিত কেৰালা-পাঞ্জাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনখন খেল দিনৰ ডেৰ বজাৰ পৰা ৰে'লৱে আৰু ছাৰ্ভিচেছৰ মাজত ঢকুৱাখনাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০০০

**সমাপ্ত**